**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।	সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে।
২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত শতাধিক শিল্পীক ২০২৪ আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটা আৰু ফেলোশ্বিপ প্ৰদান কৰে।
৩।	বড়ো শান্তি চুক্তিৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি এতিয়াও ৰূপায়ণ কৰিবলৈ বাকী থকাক লৈ সাংসদ প্ৰমোদ বড়োৱে উদ্বেগ প্ৰকাশ কৰিছে।
৪।	ধাৰাসাৰ বৰষুণ, ভূমিস্খলন আৰু বানৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৪০ দশমিক ৩—৬ কিলোমিটাৰ পথ ক্ষতিগ্ৰস্ত হৈছে।

আৰু

৫।	ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত বড়োলেণ্ড এফ চি, কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ২০ জুলাইত আৰম্ভ হোৱা সংসদৰ এই ২৫ দিনীয়া বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত মুঠ ১৯ দিন বৈঠক অনুষ্ঠিত হয়। অধিৱেশনৰ সময়ছোৱাত বিভিন্ন আইনী আৰু ৰাষ্ট্ৰীয় বিষয়ক লৈ আলোচনা অনুষ্ঠিত হয়। এইবাৰৰ অধিবেশনত লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক ২০২৬, ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি অপমান প্ৰতিৰোধী সংশোধনী বিধেয়ক ২০২৬, ন্যায়াধীকৰণ সংশোধনী বিধেয়ক ২০২৬, কৰাৰোপন আৰু অন্য আইন সংশোধনী বিধেয়ক ২০২৬, ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম সংশোধনী বিধেয়ক ২০২৬ আৰু কেৰালা নাম পৰিৱৰ্তন বিধেয়ক ২০২৬কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত হয়।

ৰাজ্যসভাত আজি খনি আৰু খনিজাত পদাৰ্থ উন্নয়ন আৰু নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক গৃহীত হয়। ইয়াৰ লগে লগে বিধেয়কখনে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰে। এই বিধেয়কখনৰ জৰিয়তে দেশৰ খনন খণ্ডক অধিক দক্ষ, বিনিয়োগ অনুকুল আৰু দেশৰ গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ বৰ্ধিত চাহিদা পূৰণ কৰিব পৰাকৈ সুসজ্জিত কৰি তুলিব বিচৰা হৈছে। উচ্চ সদনৰ কাম-কাজ অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ পূৰ্বে দিয়া সামৰণি মন্তব্যত ৰাজ্য সভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে সদনৰ কাম-কাজ বাৰে বাৰে ব্যাহত হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়, যে সদনৰ মজিয়া সকলোৰে বাবে খোলা যদিও সদস্যসকলে জনসাধাৰণৰ বিষয়সমূহ উত্থাপন কৰাৰ বাবে লাভ কৰা সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰাত ব্যৰ্থ হোৱাটো দুখৰ কথা। সদনে অৱশ্যে অধিৱেশনৰ সময়ছোৱাত ১২ খনকৈ বিধেয়ক গ্ৰহণ কৰি ইয়াৰ বিধায়িনী দায়িত্ব পালন কৰিবলৈ সমৰ্থ হয় বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰী ৰাধাকৃষ্ণণে

কয়, যে অধিৱেশনৰ সময়ছোৱাত মাত্ৰ ৩৭ ঘণ্টা আৰু ৪৯ মিনিটতহে কাম-কাজ হয় আৰু সেই অনুসাৰে অধিৱেশনৰ সময়ছোৱাত কাম-কাজৰ হাৰ ৩৯ দশমিক ১ - ৭ শতাংশ হৈছে।

বাইট (ৰাধাকৃষ্ণণ)

ইয়াৰ পূৰ্বে উচ্চ সদনত বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁৰ ৰাজহুৱা সভাৰ পাছত উত্তৰাখণ্ডৰ হলদোৱানিৰ ৰামলীলা ময়দানত যজ্ঞ সম্পন্ন কৰাৰ বিষয় উত্থাপন কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, যে তেওঁ ৰামলীলা ময়দানৰ সমাৰেশত দিয়া ভাষণত কোনো সম্প্ৰদায় অথবা ধৰ্মৰ বিষয়ে উল্লেখ কৰা নাছিল।

ইয়াৰ পাছতে সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই বিৰোধী পক্ষৰ নেতাগৰাকীয়ে উত্থাপন কৰা বিষয়টোৰ তদন্ত কৰা হ'ব বুলি সদনক আশ্বাস দিয়ে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত এটা অনুষ্ঠানত ১১৫ গৰাকী শিল্পীক ২০২৪ আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটা আৰু ফেলোশ্বিপ প্ৰদান কৰে। দেশৰ পৰিৱেশ্য কলা বিশেষকৈ সংগীত, নৃত্য, থিয়েটাৰ, লোক আৰু জনজাতীয় কলা, পুতলা শিল্প, পৰম্পৰাগত থিয়েটাৰ আৰু অন্যান্য শিল্পৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এই বঁটা দিয়া হয়। এই বঁটাৰ বাবে দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ পৰা পাৰদৰ্শী লোকসকলক বাছনি কৰি উলিওৱা হয়।  বঁটা প্ৰাপকসকলৰ ভিতৰত অসমৰ পাঁচগৰাকী বিশিষ্ট শিল্পীও আছে।

এইবেলি দেশৰ মুঠ ৭ গৰাকী বিশিষ্ট ব্যক্তিক সংগীত নাটক একাডেমী ফেল'শ্বিপ – 'একাডেমী ৰত্ন' প্ৰদান কৰা হৈছে। এই ফেল'শ্বিপত ৩ লাখ

সংগীত নাটক একাডেমীয়ে ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে সংগীত, নৃত্য, নাটক, লোক, জনজাতীয় আৰু পুতলা নাচৰ লগতে পৰিৱেশ্য কলাৰ বিভিন্ন শিতানত সামগ্ৰিক অৱদান আৰু গৱেষণাৰ বাবে ১০৮ গৰাকী শিল্পীক সংগীত নাটক একাডেমী বঁটাৰ বাবে বাছনি কৰিছে। ইয়াৰ উপৰি সংগীত নাটক একাডেমীয়ে ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে ১০৬গৰাকী যুৱ শিল্পীক ওস্তাদ বিছমিল্লা খান বঁটাৰ বাবে বাছনি কৰিছে।

০০০০০০০০০

২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি এতিয়াও ৰূপায়ণ কৰিবলৈ বাকী আছে বুলি সাংসদ প্ৰমোদ বড়োৱে মন্তব্য কৰিছে। ৰাজ্যসভাত আজি বড়ো শান্তি চুক্তি ২০২০ৰ ৰূপায়ণৰ স্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি সাংসদগৰাকীয়ে কয়, যে চুক্তিখন বাস্তৱায়িত কৰা দিশৰ পৰা অতিকে গুৰুত্বপূৰ্ণ সাংবিধানিক, প্ৰশাসনিক আৰু বিত্তীয় উন্নয়ন আৰু পুনৰ্বাসনৰ প্ৰতিষ্ঠানগত ব্যৱস্থাসমূহ এতিয়াও ৰূপায়ণ হ'বলৈ বাকী আছে বুলি মন্তব্য কৰে। প্ৰতিশ্ৰুতিসমূহ সময়মতে ৰূপায়ণ হ'লেহে চৰকাৰৰ আশ্বাস পূৰণ হ'ব বুলি তেওঁ মন্তব্য কৰে। শ্ৰীবড়োৱে চুক্তিখনৰ ব্যৱস্থাসমূহ ৰূপায়ণৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে অৱগত কৰিবলৈ চৰকাৰৰ প্ৰতি অনুৰোধ জনায়। তেওঁ লগতে চুক্তিখনৰ ৰূপায়ণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। ২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ পাছৰে পৰা বিটিচি অঞ্চলত অভূতপূৰ্ব উন্নয়ন হৈছে আৰু দশক দশক ধৰি অশান্তজৰ্জৰ অঞ্চলটোলৈ শান্তি ঘূৰাই অনা, সুস্থিৰতা বৰ্তাই ৰখা আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থা স্থাপনত চুক্তিখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলিও সাংসদগৰাকীয়ে দাবী কৰে।

০০০০০০০০০

এইবাৰ বাৰিষাৰ বতৰত ধাৰাসাৰ বৰষুণ, ভূমিস্খলন আৰু বানৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৪০ দশমিক ৩—৬ কিলোমিটাৰ পথ ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰে ভিতৰত অসমৰ ৮ দশমিক ৩—২ কিলোমিটাৰ পথ আছে। কংগ্ৰেছ সাংসদ কপিল ছিব্বালে সোধা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি ৰাজ্যসভাত এই কথা সদৰি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এইবাৰ বাৰিষাত অৰুণাচল প্ৰদেশত ৮ দশমিক ৯—৬ কিলোমিটাৰ, ত্ৰিপুৰাত ১ দশমিক ৩—৯ কিলোমিটাৰ,  মণিপুৰত ১ দশমিক ৫—৫ কিলোমিটাৰ, ছিকিমত ৮ দশমিক ৪—৯ কিলোমিটাৰ আৰু নাগালেণ্ডত ১ দশমিক ৩—৯ কিলোমিটাৰ পথ ক্ষতিগ্ৰস্ত হৈছে।

০০০০০০০০

মিজোৰাম চৰকাৰে ৰাজ্যখনৰ লোকসেৱা আয়োগত সংস্কাৰ সাধনৰ বাবে সমিতি গঠন কৰিবলৈ সিদ্ধান্ত লোৱাৰ পাছতে ৰাজ্যখনৰ প্ৰভাৱশালী ছাত্ৰ সংগঠন মিজো জিৰলেই প'লে আয়োগৰ সংস্কাৰ বিচাৰি চলাই থকা আন্দোলন প্ৰত্যাহাৰ কৰিছে। সংগঠনটোৱে যোৱা ৬ আগষ্টত শান্তিপূৰ্ণভাৱে এই আন্দোলন আৰম্ভ কৰে আৰু সোমবাৰৰ পৰা মিজোৰাম লোকসেৱা আয়োগৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰি বিষয়া-কৰ্মচাৰীসকলক কাৰ্যালয়টোত প্ৰৱেশত বাধা দিয়ে। সংগঠনটোৱে আয়োগৰ গাঁথনিগত আৰু নিযুক্তি ব্যৱস্থাৰ সংস্কাৰ বিচৰাৰ লগতে ইয়াক শক্তিশালী কৰাৰ বাবে অতিৰিক্ত লোক নিয়োগ কৰাৰ পোষকতা কৰে। সংগঠনটোৰ দাবীসমূহৰ ভিতৰত এখন সংস্কাৰ সমিতি গঠন আৰু এবাৰতে পঞ্জীয়ন অৰ্থাৎ অ' টি আৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা অন্যতম আছিল। মিজোৰাম চৰকাৰে কালি জাৰি কৰা এটা নিৰ্দেশযোগে আয়োগৰ সংস্কাৰ সাধনৰ বাবে কৰ্মচাৰী আৰু প্ৰশাসনীয় সংস্কাৰ বিভাগৰ সচিবৰ অধ্যক্ষতাত এখন সাতজনীয়া সমিতি গঠন কৰি দিছে। এই সমিতিয়ে নিয়োগ ব্যৱস্থা আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা নিযুক্তি প্ৰক্ৰিয়াও পৰ্যালোচনা কৰিব।

নিৰ্দেশ অনুসৰি সমিতিখনে আবেদন গ্ৰহণ, পঞ্জীয়ন, নথিপত্ৰৰ সত্যাসত্যৰ নিৰূপণ, বাছনি প্ৰক্ৰিয়া আৰু ফলাফল ঘোষণালৈকে  প্ৰতিটো পৰ্যায়তে নিযুক্তি প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰিব।

০০০০০০০০০

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি গুৱাহাটীৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত হ'বলগীয়া গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত বড়োলেণ্ড এফ চি, কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। বড়োলেণ্ড এফ চিয়ে  আজিৰ খেলখনত কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিক বৃহৎ ব্যৱধানত পৰাস্ত কৰিব পাৰিলে কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব পাৰিব। অৱশ্যে প্ৰথম দুখন খেলত পৰাভূত হৈ নকআউটৰ সমীকৰণৰ পৰা বাহিৰ হোৱা কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিৰ বাবে আজিৰ খেলখন গুৰুত্বহীন।

০০০০০০০০

সমাপ্ত